# অসম চৰকাৰ
# জিলা নির্বাচন বিষয়াৰ কাৰ্য্যালয় ঃ বঙাইগাঁও

## গোহাৰি

ইয়াৰ দ্বাৰা সৰ্বসাধাৰণ ৰাইজক জনোৱা যায় যে, ভাৰতৰ নিৰ্বাচন আয়োগৰ নির্দ্দেশানুসাৰে অহা ০১-০১-২০১৮ তাৰিখক ভিত্তি তাৰিখ হিচাবে ধৰি ইং ১৬-১০-২০১৭ তাৰিখৰ পৰা আন ঠাইৰ দৰে **৩২ নং বঙাইগাঁও বিধান সভা সমষ্টিৰ** ফটোযুক্ত খচৰা ভোটাৰ তালিকাৰ বিশেষ সংক্ষিপ্ত সংশোধনীৰ কাম-কাজ আৰম্ভ হৈছে। ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্তি, কৰ্তন, শুধৰণি আৰু স্থানান্তৰকৰণৰ বাবে দাবী বা আপত্তি থাকিলে তলত উল্লেখ কৰা সংশোধনী সূচী অনুসৰি নিজ নিজ ভোট গ্ৰহণ কেন্দ্ৰ পৰ্য্যায়ৰ বিষয়া, মনোনীত বিষয়া বা সংশ্লিষ্ট সহঃ নিৰ্বাচক পঞ্জীয়ন বিষয়াৰ ওচৰত দাখিল কৰিবৰ বাবে জনোৱা হ'ল। ইচ্ছুক ৰাইজে অনলাইন যোগে নাম অন্তৰ্ভুক্তিৰ বাবে তলত দিয়া ৱেবচাইট ব্যৱহাৰ কৰি নিজৰ নিজৰ দাবী /আপত্তি সাব্যস্ত কৰিব পাৰিব ।

## সংশোধনী সূচী

| ক্ৰমিক নং | সংশোধনৰ পৰ্য্যায় | নিৰ্দ্ধাৰিত সময় |
|---|---|---|
| ১ | খচৰা ভোটাৰ তালিকা প্ৰকাশৰ তাৰিখ | ১৬ অক্টোবৰ, ২০১৭ (সোমবাৰ) |
| ২ | দাবী আৰু আপত্তি দাখিলৰ তাৰিখ | ১৬ অক্টোবৰ, ২০১৭ (সোমবাৰ)ৰ পৰা ১৫ নভেম্বৰ, ২০১৭ (বুধবাৰ) |
| ৩ | গাওঁ সভা আৰু স্থানীয় নিকায় সমূহৰ সভাত ভোট গ্ৰহণ কেন্দ্ৰ পৰ্য্যায়ৰ বিষয়া ও পঞ্চায়ত প্ৰতিনিধিৰ দ্বাৰা সংশ্লিষ্ট গাওঁৰ ফটোযুক্ত ভোটাৰ তালিকা পঢ়ি শুনোৱা আৰু নামবোৰ পৰীক্ষা কৰা। | ২০ অক্টোবৰ, ২০১৭ (শুক্ৰবাৰ) আৰু ০৩ নভেম্বৰ, ২০১৭ (শুক্ৰবাৰ) |
| ৪ | ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ৰ স্বীকৃতিপ্ৰাপ্ত আৰু পঞ্জীকৃত ৰাজনৈতিক দল, মনোনীত বিষয়া, ভোটগ্ৰহণ পৰ্য্যায়ৰ এজেন্ট আৰু ভোটগ্ৰহণ কেন্দ্ৰ পৰ্য্যায়ৰ বিষয়া (বুথ লেভেল অফিচাৰ) ৰ দ্বাৰা দাবী ও আপত্তি গ্ৰহণ কৰাৰ বাবে বিশেষ প্ৰচাৰ অভিযান। | ২২ অক্টোবৰ, ২০১৭ (দেওবাৰ) আৰু ৫ নভেম্বৰ, ২০১৭ (দেওবাৰ) |
| ৫ | দাবী আপত্তি নিস্পত্তিৰ তাৰিখ । | ১৫ ডিচেম্বৰ, ২০১৭ (শুক্ৰবাৰ)ৰ ভিতৰত |
| ৬ | ডাটাবেচ উন্নীতকৰণ, ভোটাৰৰ ফটো সংলগ্ন, কন্ট্ৰোল টেবুল উন্নীতকৰণ আৰু পৰিপূৰক ভোটাৰ তালিকা প্ৰস্তুতকৰণ আৰু ছপাকৰণ। | ২২ ডিচেম্বৰ, ২০১৭ (শুক্ৰবাৰ)ৰ ভিতৰত |
| ৭ | ভোটাৰ তালিকাৰ চূড়ান্ত প্ৰকাশ । | ১২ জানুৱাৰী, ২০১৮ (শুক্ৰবাৰ) |

প্ৰপত্ৰ নং - ৬ ঃ নাম অন্তৰ্ভুক্তিৰ বাবে ।
প্ৰপত্ৰ নং - ৬ (ক) ঃ প্ৰবাসী ভাৰতীয়ৰ নাম অন্তৰ্ভুক্তিৰ বাবে ।
প্ৰপত্ৰ নং - ৭ ঃ নাম কৰ্ত্তনৰ বাবে ।
প্ৰপত্ৰ নং - ৮ ঃ শুধৰণিৰ বাবে ।
প্ৰপত্ৰ নং - ৮ (ক) ঃ একে সমষ্টিৰ ভিতৰত নাম স্থানান্তৰৰ বাবে ।

**সবিশেষ জানিবৰ বাবে নিম্ন উল্লেখিত বিষয়াৰ লগত যোগাযোগ কৰিব পাৰিব ।**

| | |
|---|---|
| শ্ৰী বিশ্বজিৎ পেগু, আই, এ, এছ<br>জিলা উপায়ুক্ত আৰু জিলা নিৰ্বাচনী বিষয়া<br>ফোন নং - ০৩৬৬৪ - ২৩০৮৮৯ | শ্ৰীনিত্য বিনোদ ঔৱাৰী এ. চি. এছ<br>নিৰ্বাচন বিষয়া আৰু নিৰ্বাচনী পঞ্জীয়ন বিষয়া<br>ফোন নং - ৯৪৩৫০২৬৩০৭ |

বঙাইগাঁও নিৰ্বাচনী কাৰ্য্যালয়ৰ সৈতে যোগাযোগ কৰক ঃ ০৩৬৬৪ -২৩১২৮৬

ECI Call Centre No. 1950, ECI website http:/eci.gov.in. CEO website http://ceoassam.nic.in, DEO Website http:/bongaigaon.nic.in

বিঃ দ্ৰঃ ১) যিসকলৰ বয়স আগন্তুক ০১-০১-২০১৮ তাৰিখৰ ভিতৰত ১৮ বছৰ বা ততোধিক হয়, তেওঁলোকে ভোটাৰ তালিকাত নাম অন্তৰ্ভুক্ত কৰিব পাৰিব ।

২) প্ৰয়োজনীয় প্ৰ-পত্ৰ সংশ্লিষ্ট ভোট গ্ৰহণ কেন্দ্ৰ পৰ্য্যায়ৰ বিষয়া বা মনোনীত বিষয়াৰ পৰা বিনামূলীয়াকৈ সংগ্ৰহ কৰিব পাৰিব ।

৩) বিশেষ পৰামৰ্শৰ বাবে ৩২ নং বঙাইগাঁও বিধান সভা সমষ্টিৰ নিৰ্বাচনী পঞ্জীয়ন বিষয়া / সংশ্লিষ্ট সহ-নিৰ্বাচন পঞ্জীয়ন বিষয়া আৰু নিজ নিজ এলেকাৰ ভোট গ্ৰহণ কেন্দ্ৰ পৰ্য্যায়ৰ বিষয়া / মনোনীত বিষয়াৰ লগত যোগাযোগ কৰিব পাৰিব ।

স্বা /-

জিলা উপায়ুক্ত আৰু জিলা নিৰ্বাচনী বিষয়া,
বঙাইগাঁও

স্থান ঃ বঙাইগাঁও
তাৰিখ ঃ ৮ অক্টোবৰ, ২০১৭